بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**জামাতে আহমদীয়াৰ সৈতে সহায় সহযোগ,ঐশ্বৰিক ফজিলতৰ ঈমান বৰ্দ্ধক ঘটনাৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১১ আগষ্ট ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাৰ প্ৰদত্ত প্ৰতিশ্ৰুতি অনুযায়ী আঁহজৰত (ছাঃ)ৰ প্ৰাণ দাসৰ জামাতৰ ওপৰত প্ৰত্যহ আল্লাহ তা'লাৰ কৰুণা আৰু কৃপাৰ বাৰি-ধাৰা প্ৰবাহিত হৈ আছে। জলছাৰ ৰিপোৰ্ট বিলাকত এই সম্পৰ্কে বিশেষ ভাৱে উল্লেখ পোৱা যায়। কিন্তু সেইবোৰ অতি কম সময়ৰ ভিতৰত বৰ্ণনা কৰা সম্ভৱ নহয়। তাৰেই কেইটামান উদাহৰণ আজি মই উল্লেখ কৰিম।

কনিছাছাৰ স্থানীয় মিচনাৰী হামিদ চাহাবে লেখিছে যে ভেৰা চহৰৰ পৰা আমালোকৰ ৰেডিঅ প্ৰোগ্ৰাম শুনি তাৰে স্থানীয় মছজিদৰ ইমাম ঈছা চাহাবে আমাৰ জামাতৰ সৈতে যোগাযোগ কৰি আমাৰে মিচন হাউচলৈ আহে আৰু জামাতৰ বিষয় ভালদৰে বুজি লৈ বয়াত গ্ৰহণ কৰে। ইয়াৰ পৰা তেওঁ ওভতি গৈ নিজৰ গাঁৱত তবলিগ কৰিবলৈ আৰম্ভ কৰে আৰু ২৪ জন লোকে জামাতে আহমদীয়া গ্ৰহণ কৰে। ইয়াৰ পিছত আমাৰ মোবাল্লিগ চাহাবে সেই গাঁৱখনলৈ যায় আৰু তেতিয়াও আৰু আঠজন লোকে জামাত গ্ৰহণ কৰে। এনেদৰে তাতে এখন নতন জামাত প্ৰতিষ্ঠিত হয়।

কিনছাছাৰ আন এখন ৰাজ্য মায়েন দোম্বে নামক এখন গাঁৱত মোৱাল্লিম উমৰ মনোৱাৰ চাহাবে তবলিগ কৰিবলৈ যায় আৰু তাতে জামাতৰ প্যামপ্লেট বিতৰণ কৰে। এনেতে কিছুমান চয়তান লোকে তেওঁলৈ শিলগুটি দলিয়াই দলিয়াই চিঞৰ-বাখৰ কৰে। মোৱাল্লিম চাহাবে সেই শিলগুটিৰ পৰা কোনো মতে ৰক্ষা পায় আৰু তবলিগ জাৰি ৰাখে। তাৰে লোক সকলে মোৱাল্লিম চাহাবৰ এনে ধৈৰ্য আৰু কোমলতা চাই বাৰু কৈয়ে প্ৰভাৱিত হয় আৰু সেই ঠাইৰ মছজিদত গৈ মোৱাল্লিম চাহাব বিভিন্ন জনৰ বিভিন্ন প্ৰশ্নৰ মনোগ্ৰাহী উত্তৰ প্ৰদান কৰে যাৰ ফলত প্ৰায়

চল্লিছ বিয়াল্লিছজন লোকে জামাতৰ তবলিগত অনুপ্ৰাণিত হৈ বয়াত গ্ৰহণ কৰে আৰু তাতেও এখন নতুন জামাত প্ৰতিষ্ঠিত হয়।

গিনিবছাওৰ ইমাম তমায় কয় যে আজিলৈকে মই এই জামাত সম্পৰ্কে এয়াই শুনি আহিছো যে আপোনালোকে আঁহজৰত (ছাঃ) আৰু কোৰাণ হাদীছক নামানে। আজি জলছাত মই আপোনালোকৰ খলিফাক দেখিলো যে তেখেত আল্লাহ তা'লা, ৰছুলুল্লাহ (ছাঃ) আৰু কোৰাণ হাদীছৰ নচিহত কৰি আছে। মোৰ এতিয়া এয়া বিশ্বাস যে জামাতৰ বিৰুদ্ধে লোকে মিছা অপবাদ ৰটনা কৰে আৰু মিছা পৰিকল্পনা ৰচনা কৰা হৈ আছে। এনেদৰে মিছা প্ৰপেগাণ্ডা সদায় ঐশ্বৰিক জামাতৰ বিৰুদ্ধে হৈ থাকে। গতিকে মই আজিৰে পৰা জামাতৰ অন্তৰ্ভুক্ত হলো।

বৰোণ্ডিৰ এখন অঞ্চলৰ এখন ছুন্নি মছজিদৰ ইমাম জামাতৰ মছজিদ বন্ধ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰে। কিন্তু তাৰ কথা কোনেও কাণত নলয়। তেওঁ আমাৰ মোৱাল্লিম চাহাবক মাতি নি ওফাতে মছীহ সম্পৰ্কে বেহেছ কৰিবলৈ আৰম্ভ কৰে। তাৰেই এজন লোকে সেই ইমাম জনক কয় যে জামাতৰ ইছলাম বুজি পাই আছো। কিন্তু আপোনাৰ ইছলাম বুজি পোৱা নাই। কাৰণ মোৱাল্লিম চাহাবৰ প্ৰমাণ আদিৰ উত্তৰ দিব নোৱাৰি জামাতৰ ওপৰত কুফৰৰ ফতোৱা লগাই আছে। এইদৰে সিহঁতৰ মাজত ভালেখিনি কাজিয়া সংঘটিত হয় আৰু চৰকাৰে তিনি মাহৰ কাৰণে সিহঁতৰ মছজিদ বন্ধ কৰি দিয়ে। এতিয়া নামধাৰী উলামা সকলে পাকিস্তানৰ দৰে সকলো ঠাইতে এনে পদ্ধতি,পৰিকল্পনা হাতত লৈ আছে যে আহমদী সকলৰ মছজিদ বন্ধ কৰিব লাগে আৰু মিনাৰ, মেহৰাব ভাঙি পেলাব লাগে। কিন্তু পাকিস্তানৰ কোনো আইনত এনে কোনো কথা লিখা নাই যে আহমদী সকলে মিনাৰ বনোৱাৰ অনুমতি নাই। পাকিস্তানৰ চৰকাৰ আচলতে এই নামধাৰী মৌলবী সকলৰ আগত আঠু কাঢ়িবলৈ বাধ্য আৰু এই মৌলবী সকলে সদায় ক্ষতি সাধন কৰাৰ বাবে আপ্ৰাণ চেষ্টা কৰি থাকে। কিন্তু ইনশা আল্লাহ তা'লা এদিন এওঁলোক নিজে নিজেই মৰিব।

পাকিস্তানৰ জামাতে কোৰাণ কৰিম ছপা কৰি লোৱাৰ অনুমতি নাই। অনুবাদ কৰাৰ একো সুবিধাই নাই। কিছুমানৰ ওপৰত এনেকুৱা গোচৰ ৰুজু কৰা আছে যে তোমালোকে কিয় কোৰাণ পাঠ শুনি আছিলা। এয়াই হ'ল নামধাৰী মুছলমান সকলৰ ইছলাম। তথাপি আল্লাহ তা'লা এই সকলোবোৰ সমস্যা চেৰাই আমাৰ বাবে নতুন নতুন বাট মুকলি কৰি আছে। তানজানিয়াৰ এজন মোৱাল্লিম চাহাবে কৈছে যে ইয়াৰ পৰা ত্ৰিছ কি:মি: আঁতৰৰ পৰা এজন মানুহে ফোন কৰিছে যে তেওঁ কোৰাণ এখন সহজ অনুবাদ কিনিব বিচাৰে। তাক কোৱা হয় যে আপোনালোকৰ তাতে বিচাৰিলেই পাব। কিন্তু সেই লোকজনে কৈছিল যে তেওঁ জামাতৰ অনুবাদ আৰু তফছিৰ পছন্দ কৰে আৰু তাকেই বিচাৰি আছে।

পশ্চিমীয়া বিশ্বৰ কিছুমান দেশ ডেনমাৰ্ক, ছুউডেন আদি দেশবোৰত কোৰাণ কৰিমৰ অপমান কৰা হৈ আছে। তাতেই যেতিয়া ইছলামৰ সুন্দৰ শিক্ষা সম্পৰ্কে জনোৱা হয় তেতিয়া বিৰুদ্ধবাদী সকলৰ আচাৰ আচৰণ সলনি হৈ যায়। বৰ্তমানে জামাত আহমদীয়াই কোৰাণ কৰিমৰ স্থান আৰু মৰ্যদা উন্নত কৰাৰ আৰু ইয়াৰ শিক্ষা প্ৰচাৰত ব্যস্ত হৈ আছে।

কোৰাণ কৰিমৰ মুদ্ৰণ আৰু ইছলামী শিক্ষাৰ সৰু সৰু পুস্তিকা সমূহে মানুহৰ মনত কেনে প্ৰভাৱ পেলায়, এই সম্পৰ্কে আৰু কিছুমান ঘটনা বৰ্ণনা কৰিম। গোলাঘাট গ্ৰন্থ মেলাত এগৰাকী মুছলমান মহিলা অধ্যাপিকা শাকলা ইয়াছমিন চাহেবা যেতিয়া আমাৰ বুক ষ্টল দেখা পায় তেতিয়া বৰ আনন্দেৰে সৈতে ষ্টললৈ আহি এখন অসমীয়া অনুবাদৰ কোৰাণ হাতত লয় আৰু নিজৰ লগৰ অধ্যাপক এজনক কয় যে আজি মোৰ এই সপোন দিঠকত পৰিণত হ'ল। মই আজি বহু দিন ধৰি অসমীয়া অনুবাদৰ কোৰাণ বিচাৰি আছিলো। মোৰ এজন শিক্ষকে কেইবাবাৰ মোৰ

ওচৰত এখন অসমীয়া অনুবাদৰ কোৰাণ বিচাৰিছিল কিন্তু মোৰ ওচৰত অসমীয়া অনুবাদৰ কোৰাণ নথকাত মই তেখেতক দিব পৰা নাই। এই কাৰণে মই বৰ লজ্জিত হৈছো আৰু নিজৰ মুছলমান হোৱাৰ প্ৰতি বৰ পৰিতাপ হৈছিল। মোৰ সেই শিক্ষকজনৰ মৃত্যুৰ পিছত আজি মই এই কোৰাণ বিচাৰি পালো।

ধেমাজী গ্ৰন্থ মেলাত এগৰাকী হিন্দু মহিলা বন্তি দোৱৰা আমাৰ বুক ষ্টললৈ আহে। তাই শিৱ মন্দিৰ নিৰ্মাণ কৰাই আছিল। তাই তাৰেই তবলিগ কৰি আছিল। যেতিয়া তাই আমাৰ বুক ষ্টল দেখা পাইছিল তেতিয়া বৰ আচৰিত হৈছিল যে এই ঠাইত মুছলমানৰ সংখ্যা নিচেই তাকৰ, অথচ তাতে এখন ইছলামী বুক ষ্টল লগোৱা হৈছে। তাই আমাৰ বুক ষ্টললৈ আহি আমাৰ লগত কথা-বতৰা পাতিবলৈ ললে আৰু বৰ আনন্দিত হৈ ওভতি গ'ল। পিছদিনাখন আকৌ তাই আমাৰ ষ্টললৈ আহে আৰু লগতে আমাৰ ষ্টলত থকা সকলৰ বাবে ফলমূল লৈ আনে। এনেতে আমাৰ ষ্টলত কোৰাণ মজিদ সজাই থোৱা দেখা পাই বৰ আনন্দিত হয়। তাই কোৰাণ মজিদ কিনি লওঁতে কয় যে আজি আপোনালোকে মোৰ বহু দিনৰ পুহি ৰখা সপোন দিঠকত পৰিণত কৰিলে।

শেষ চৰিয়তৰ কিতাপ কোৰাণ কৰিম এই গ্ৰন্থখন পঢ়া আৰু শুনা পাকিস্তানৰ আহমদী সকলৰ বাবে বেআইনী ঘোষণা কৰাটো এটা অন্যতম জঘন্য অন্যায়। এই গ্ৰন্থখনৰ জৰিয়তেই জামাতে আহমদীয়াই বিশ্বব্যাপি ইছলাম প্ৰচাৰ কৰি আছে আৰু বিশ্বৰ সংশোধনৰ নিমিত্তে চেষ্টা চলাই আছে। মাইক্ৰনেচিয়াৰ মোবাল্লিগ শৰুজিল চাহাবে কৈছে যে কিছুদিন আগত ছাইমন গিডন নামাৰ এজন ব্যক্তিয়ে জামাতৰ সৈতে যোগাযোগ কৰি এখন কোৰাণ কৰিম লৈ লৈছে। ইয়াৰে কিছুদিন পিছত সেই মানুহজনে মোবাইলত ম্যাচেজ দিছে যে তেওঁ আমাৰ লগত সাক্ষাৎ কৰিব বিচাৰে। তেওঁ এদিন আমাৰ মছজিদলৈ আহি কয় যে মই গোটেই জীৱন বাইবেল পঢ়িছো কিন্তু তাৰ শিক্ষাৰ কোনো প্ৰভাৱ অন্তৰত জাগ্ৰত হোৱা নাই। অৰ্থাৎ লাগে এনেকুৱা যে তাৰ পৰা মই একো বুজি পোৱা নাই। কিন্তু মই যেতিয়াৰে পৰা কোৰাণ কৰিম পঢ়িবলৈ আৰম্ভ কৰিছোঁ মোৰ অনুমান হয় এই কিতাপৰ প্ৰত্যেকটো শব্দ পোনে পোনে গৈ হৃদয় স্পৰ্শ কৰে। সম্ভৱ হ'ব পাৰে যে মই গোটেই জীৱন ভুলতে আছিলো আৰু এতিয়া কোৰাণ কৰিমৰ শিক্ষাৰ পৰাও বঞ্চিত হওঁ। এতিয়া জনাবে কেৱল জামাতেই গ্ৰহণ কৰা নাই বৰং এক প্ৰবল উদ্দেশ্যেৰে ইছলামৰ তবলিগত ব্যস্ত হৈ পৰিছে।

বৰকিনাফাছোৰ মেহেদীয়াবাদৰ ছৈয়দ বজায়কা চাহাবে বৰ্ণনা কৰিছে যে যেতিয়া আমাৰ গাঁৱৰ অধিকাংশ লোকে আহমদীয়ত গ্ৰহণ কৰিছিল তেতিয়া মোৰ এজন বন্ধুৱে মোক চৌদী আৰবলৈ মাতি নিছিল আৰু খানা কাবা দেখুৱাই কৈছিল ওৱাহাবিয়ত গ্ৰহণ কৰা আৰু আহমদীয়ত এৰি দিয়া। তেতিয়া মই কৈছিলো মই পৱিত্ৰ স্থানত থিয় হৈ মই দোৱা কৰিছোঁ যে মোৰ জীৱনত যেন এনেকুৱা কোনো সময় নাহে যে মই আহমদীয়ত এৰিব লগা হয়। আল্লাহ তা'লা মোক ইয়াৰ আগতেই যেন পূৰ্ণ ঈমানৰ সৈতে মৃত্যু দিয়ে। ইয়াৰ পিছত সেই বন্ধু জনে এবাৰ বৰকিনাফাছোলৈ মোৰ ওচৰত আহে আৰু আলহাজ ইব্ৰাহিম চাহাবৰ তবলিগত আহমদীয়ত গ্ৰহণ কৰে।

নাইজেৰিয়াৰ বাসিন্দা এজনৰ আহমদীয়ত গ্ৰহণৰ সৌভাগ্য লাভ হয়। ইয়াৰ আগতে লোকজনে বিৰুদ্ধবাদী পাৰ্টিৰ এজন মুখ্য ব্যক্তি আছিল। লোকজনে আহমদীয়ত গ্ৰহণ কৰাৰ পিছত ভয়ঙ্কৰ বিৰোধীতাৰ সন্মুখীন হৈছিল। এদিন যেতিয়া লোক জন গৈ পথাৰত খেতিৰ কাম কৰি আছিল তেতিয়া প্ৰচণ্ড ধুমুহা উঠি আহিছিল। তেতিয়া লোক জনৰ বিৰুদ্ধবাদী সকলে কোৱা কথা খিনিলৈ মনত পৰিছিল। তেওঁলোকে কৈছিল এদিন তুমি কামৰ পৰা ওভতি আহি চাবা যে তোমাৰ ঘৰৰ বিনাশ ঘটিছে। তেতিয়া লোকজনে দোৱা কৰিছিল যে হে আল্লাহ ! যদি এই জামাত তোমাৰ জামাত হয় আৰু হজৰত মছীহ মাওউদ (আঃ)য়েই সেইজনা মাওউদ মেহেদী হয় যাৰ সুসংবাদ ৰছুলে কৰিম (ছাঃ)য়ে দিছিল তেন্তে মোৰ ঘৰ বিনাশ হ'বলৈ নিদিবা তেওঁ পথাৰৰ পৰা ওভতি আহি দেখিবলৈ পায় যে

ঘৰ-দুৱাৰ ঠিক ঠাকেই আছে। কোনো ধৰণৰ ক্ষয়-ক্ষতি হোৱা নাই। কিন্তু তাৰ ওচৰে-পাজৰে থকা লোকৰ ঘৰ-দুৱাৰ নষ্ট হৈ গৈছে। তেতিয়াৰে পৰা বিশ্বাস অটল হৈ পৰিছিল যে এয়া ঐশ্বৰিক জামাত হয়।

বিশ্বৰ বিভিন্ন স্থানত আল্লাহ তা'লাৰ সহায় সহযোগ হজৰত মছীহ মাওউদ (আঃ)ৰ জামাতৰ সৈতে অবিচ্ছিন্ন থকা দেখা যায়। যিজনে আমাক প্ৰকৃত ইছলামী শিক্ষা প্ৰদান কৰিছে। এইবোৰ ঘটনা আহমদীয়তৰ সত্যতাৰ প্ৰমাণ বুলিব পাৰি আৰু এই সমূহ ঘটনাই লোকৰ ঈমান দৃঢ় কৰি আছে। আল্লাহ তা'লা বিশ্ববাসীৰ দৃষ্টি উন্মোচন কৰক আৰু ঈমান আৰু বিশ্বাস অৰ্জনৰ তৌফিক দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমানে আকৌ কভিডৰ সমস্যা দেখা দি আছে। সকলোৱে ইয়ালৈ সতৰ্কতা অৱলম্বন কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবা জুমাৰ শেষত চাৰিজন মৰহুমিনৰ চমু বৰ্ণনা আগবঢ়ায় আৰু নামাজে জুমাৰ পিছত উক্ত মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ আত্মাৰ সদগতি আৰু সকলো ধৰণে মৰ্যদা প্ৰাপ্ত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 11 AUG 2023**

# BOOK POST (PRINTED MATTER)

TO,

...........................................................................................................................................

...........................................................................................................................................

...........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844